**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ১৪ ছেপ্তেম্বৰত গোলাঘাট জিলাৰ নুমলীগড়ত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ ল'বলৈ আজি মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা নুমলীগড়লৈ যাব। মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণৰ প্ৰস্তুতি সন্দৰ্ভত জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হ'ব। উল্লেখযোগ্য যে নুমলীগড় শোধানাগাৰৰ ৫০ শতাংশ অংশীদাৰিত্বৰে নিৰ্মাণ কৰা এই প্ৰকল্পটো উদ্বোধনৰ বাবে সাজু হৈ উঠিছে। এই প্ৰকল্পটোৰ পৰা প্ৰতি বছৰে ৫০ হাজাৰ টন ইথানল, ১৮ হাজাৰ টন ফাৰ্ফিউৰেল আৰু ১১ হাজাৰ টন এচিটিক এছিড উৎপাদন কৰা হ'ব। অৱশিষ্ট লীগনিনৰ পৰা ২৫ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব পৰা যাব বুলি জৈৱ ইথানল প্ৰকল্পৰ পৰিচালন সঞ্চালকে প্ৰকাশ কৰিছে। ইয়াৰ লগতে তৰল কাৰ্বন ডাই অক্সাইড উৎপাদন কৰা হ'ব। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোদীয়ে এই প্ৰকল্প উদ্বোধন কৰাৰ লগতে নুমলীগড় শোধানাগাৰত নিৰ্মাণ হ'বলগা প'লিপ্ৰ'পিলিন ইউনিটৰো আধাৰশিলা স্থাপন কৰিব।

ইপিনে, মুখ্যমন্ত্ৰী ডº শৰ্মাই কালি মঙলদৈত প্ৰধানমন্ত্ৰী মোদীৰ সমাগত দৰং জিলা ভ্ৰমণৰ সামগ্ৰিক পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰস্তাৱিত দৰং মেডিকেল কলেজ চৌহদৰ মূল সভাস্থলী পৰিদৰ্শন কৰি জিলা প্ৰশাসনৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে এখন বৈঠকত মিলিত হয়। তেওঁ প্ৰধানমন্ত্ৰীগৰাকীৰ সমাগত ভ্ৰমণ সম্পৰ্কীয় বিভিন্ন দিশৰ প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰি সংশ্লিষ্ট সকলো বিভাগক নিয়াৰিকৈ কামসমূহ আগবঢ়াই নিবলৈ যাৱতীয় নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে সভাত অংশ গ্ৰহণ কৰিবলগীয়া ৰাইজৰ বাবে পৰ্যাপ্ত খোৱাপানীৰ ব্যৱস্থা কৰা, যান-বাহনৰ পাৰ্কিং ব্যৱস্থাপনা, অনাময় ব্যৱস্থা, প্ৰাথমিক চিকিৎসাৰ সুবিধা আদি পৰ্যাপ্তভাৱে উপলব্ধ কৰাবলৈ প্ৰশাসনক নিৰ্দেশ দিয়ে। প্ৰধানমন্ত্ৰীৰ সভাৰ সময়ছোৱাতো যাতে সভাস্থলীৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে এম্বুলেন্স আদি জৰুৰীকালীন ব্যৱস্থাৰ বাহন নিৰ্বিঘ্নে চলাচল কৰিব পাৰে তাক সুনিশ্চিত কৰিবলৈ তেওঁ যান-বাহন আৰক্ষী আৰু প্ৰশাসনক নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে এই সভাত প্ৰধানমন্ত্ৰীয়ে কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ১৪ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীয়ে মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব। ৰিং ৰোড প্ৰকল্পৰ কামৰূপ মহানগৰ, কামৰূপ, দৰং জিলাৰ উপৰি মেঘালয়ৰ ৰিভ'ই জিলাকো সামৰি ল'ব। কালি এই পৰিদৰ্শন আৰু পৰ্যালোচনাৰ সময়ত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বিধায়ক ডº পৰমানন্দ ৰাজবংশীৰ লগতে জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকসহ প্ৰশাসনৰ শীৰ্ষ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০

যোৰহাট জিলাৰ তিতাবৰৰ চিনামৰাত চি আই এছ এফৰ উদ্যোগত চাইবাৰ সুৰক্ষাৰ সামৰ্থ্যবৰ্দ্ধন সন্দৰ্ভত এটা কাৰ্যসূচী কালি অনুষ্ঠিত হয়। এই অনুষ্ঠানত চি আই এছ এফৰ কমেও ৭০গৰাকী জোৱানে মত বিনিময় কালত চাইবাৰ সুৰক্ষা সম্পৰ্কে অৱগত কৰে। তেওঁলোকে জনসাধাৰণক চাইবাৰ অপৰাধীৰ কবলত নপৰাকৈ কিদৰে নিজৰ কাম-কাজসমূহ কৰিব পাৰি এই বিষয়ে পৰামৰ্শ দিয়ে।

০০০০০০

যোৰহাট জিলা সমাজ কল্যাণ বিভাগৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগ আৰু যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত কালি নিচামুক্ত ভাৰত অভিযানৰ সমজিলা পৰ্যায়ৰ এখন সমন্বয় সজাগতা সভা অনুষ্ঠিত হয়। যোৰহাট জিলাক ড্ৰাগছমুক্ত জিলা হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে আয়োজন কৰা এই সভাত সমাজ কল্যাণ বিভাগৰ হৈ অন্ধপজ্যোতি গন্ধীয়া, পীড়াকতা মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীকে ধৰি জিলাখনৰ অংগনৱাড়ী কৰ্মী-সহায়িকাসকল উপস্থিত থাকে।

০০০০০০

কাছাৰ আৰক্ষীয়ে অভিযান চলাই কালি জিলাখনত দুজন ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে শিলচৰৰ লিংক ৰোডৰ পৰা পংকজ চৌধুৰী আৰু কালাইনৰ পৰা সুবীৰ চৌধুৰী নামৰ চিকিৎসক দুজনক গ্ৰেপ্তাৰ কৰে। এই লোক দুজনে দীৰ্ঘদিন ধৰি চিকিৎসক হিচাপে সেৱা আগবঢ়াই আহিছিল। যোৱা মাহত আৰক্ষীয়ে ছজন এনে ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰে বুলি কাছাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাত্তাই প্ৰকাশ কৰে। লোক দুজনৰ পৰা ভালেসংখ্যক আপত্তিজনক নথিপত্ৰ জব্দ কৰা হৈছে।

০০০০০০

সমাপ্ত